# উপ-ৰাষ্ট্ৰপতিৰ মৰক্কো ভ্ৰমণ (মে ৩০-১ জুন,২০১৬)

মৰক্কো চৰকাৰৰ প্ৰধান মহামান্য জনাব আবদোল্লিলাহ বেনেকিৰানৰ আমন্ত্ৰন ক্ৰমে মাননীয় উপ ৰাষ্ট্ৰপতিৰ শ্ৰী এম হামিদ আনচাৰিৰ সৈতে শ্ৰীমতী সালমা আনচাৰি ৩০ মে ,২০১৬ তাৰিখৰ পৰা ১ জুন ২০১৬ লৈ মৰক্কো ভ্ৰমণ কৰিব ।তেওঁৰ ভ্ৰমণ কালত তেওঁক কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰনালয়ৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী হংসৰাজ গঙ্গাৰাম অহিৰ,সংসদৰ চাৰিগৰাকী সদস্য,উচ্চস্তৰীয় বিষয়া আৰু সাংবাদিক সকল সঙ্গী হব ।

এই ভ্ৰমনে দুয়োদেশৰ মাজৰ সম্বন্ধক আৰু অধিক শক্তিশালী কৰি তুলিব ।দ্বিপাক্ষীক অৰ্থনৈতিক সহযোগিতাৰ ক্ষেত্ৰখনক আৰু বৈচিত্ৰিপূৰ্ণ আৰু উন্নত কৰিব আৰু সাধাৰন স্বাৰ্থ সংশ্লিষ্ট বিষয়ত সম্প্ৰসাৰিত সহযোগিতা আৰু অংশীদাৰিত্বৰ বিষয়ে নতুন ব্যৱস্থা বিচাৰি উলিওৱাৰ বাবে চেষ্টা কৰিব ।

ভ্ৰমন কালত মাননীয় উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে ৰাবাত-এ মহামান্য ৰাজা মহম্মদ VI আৰু মহামান্য প্ৰধানমন্ত্ৰী আবদোললিাহ বেনেকিৰানৰ সৈতে আলোচনা অনুষ্ঠিত কৰিব । মৰক্কো সংসদৰ উভয় হাউচৰ অধ্যক্ষ আৰু মৰক্কোৰ বিদেশ আৰু সহযোগিতা মন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰিব ।ভ্ৰমনৰ দ্বিতীয় ভাগত মাননীয় উপ-ৰাষ্ট্ৰপতি মাৰাকেচৰ ৰাজ্যপালৰ অতিথি হিচাপে মাৰাকেচ চহৰখন ভ্ৰমণ কৰিব ।

উপ-ৰাষ্ট্ৰপতি আৰু মৰক্কোৰ চেম্বাৰ অৱ কমাৰ্চ এন্ড ইন্ড্যাষ্ট্ৰিৰ, যত প্ৰবাসী ভাৰতীয় সকলৰ সৈতে বাৰ্তালাপ কৰিব ।ভ্ৰমনকালত উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে নেতৃস্থানীয় বুদ্ধিজীৱি আৰু মৰক্কোৰ ইমাম সকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰিব আৰু তাৰ লগতে মহম্মদ V বিশ্ববিদ্যালয়ত বক্তব্য ৰাখিব ।

নতুন দিল্লী

২৬ মে ২০১৬